নিশ্চয় আল্লাহে সেই বান্দাৰ প্রতি সন্তুষ্ট হয়, যিয়ে কিবা খোৱাৰ পাছত আল্লাহৰ প্রশংসা কৰি আল-হাম্দুলিল্লাহ কয় আৰু কিবা সেৱন কৰিলেও আল্লাহৰ প্রশংসা কৰি আলহাম্দুলিল্লাহ কয়।

আনাছ বিন মালিক ৰাদ্বিয়াল্লাহু ‘আনহুৰ পৰা বর্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু
আলাইহি অছাল্লামে কৈছে: নিশ্চয় আল্লাহে সেই বান্দাৰ প্রতি সন্তুষ্ট হয়, যিয়ে কিবা খোৱাৰ পাছত আল্লাহৰ প্রশংসা কৰি আল-হাম্দুলিল্লাহ কয় আৰু কিবা সেৱন কৰিলেও আল্লাহৰ প্রশংসা কৰি আলহাম্দুলিল্লাহ কয়। [ছহীহ] [(মুছলিম)]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে বৰ্ণনা কৰিছে যে, বান্দাই যেতিয়া আল্লাহৰ অনুগ্ৰহ আৰু নিয়ামত উপভোগ কৰাৰ পিছত আল্লাহৰ প্ৰশংসা কৰে তেতিয়া আল্লাহ সন্তুষ্ট হয়। যেনে- আহাৰ কৰাৰ পিছত আলহাম্দুলিল্লাহ কয় আৰু কিবা সেৱন কৰাৰ পিছতো আলহামদুলিল্লাহ কয়।

http://sunnah.global/hadeeth/as/show/5798